**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-05-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***

***::::::::::::::::::::::::::::::::::::::::***

## Headlines

১। লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ত অহা ২০ মে'ত ভোটগ্ৰহণ হ'বলগীয়া ৪৯টা সমষ্টিৰ শাসক-বিৰোধীৰ তীব্ৰ প্ৰচাৰ অভিযান। ওড়িশাত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰচাৰ অভিযান।

২। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলত গঁড়ৰ চোৰাং চিকাৰ বিৰোধী টাস্ক ফ'ৰ্চৰ দ্বিতীয়খন বৈঠক অনুষ্ঠিত।

৩। ৰাজ্যৰ লগতে সমগ্ৰ দেশতে গ্ৰীষ্মপ্ৰবাহ অব্যাহত। পৰৱৰ্তী ৩-৪ দিনত ২ৰ পৰা ৪ ডিগ্ৰী উষ্ণতা বৃদ্ধিৰ আশংকা।

৪। ভূবনেশ্বৰত অনুষ্ঠিত ২৭ সংখ্যক ৰাষ্ট্ৰীয় ফেডাৰেচন ছিনিয়ৰ এথলেটিক্‌ছ প্ৰতিযোগিতাত অসমৰ মেহদি হাছানৰ সোণৰ পদক অৰ্জন।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ, মুম্বাই ইণ্ডিয়ানছৰ মুখামুখি।

০০০০০০০

লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ত অহা ২০ মে'ত ভোটগ্ৰহণ হ'বলগীয়া ৪৯টা সমষ্টিৰ ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে ৰাজনৈতিক দলৰ নেতাসকলে অন্তিম প্ৰয়াস চলাইছে। ইফালে, ষষ্ঠ পৰ্যায়ত ২৫ মে'ত আৰু সপ্তম পৰ্যায়ত অহা ১ জুনত ৫৭ টাকৈ সমষ্টিত হ'বলগীয়া নিৰ্বাচনৰ বাবে ব্যাপক প্ৰচাৰ তীব্ৰতৰ হৈ উঠিছে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি একেৰাহে দ্বিতীয় দিনৰ বাবে উত্তৰ প্ৰদেশত প্ৰচাৰ অভিযানত ভাগ ল'ব। শ্ৰীমোদীয়ে আজি বাৰাবাংকী, ফতেহপুৰ আৰু হামিৰপুৰত ৩ খন নিৰ্বাচনী সভাত ভাষণ দিব। একেদৰে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী তথা বিজেপি নেতা যোগী আদিত্য নাথে বলৰামপুৰ, বাৰাবাংকী, লক্ষ্ণৌ আৰু অযোধ্যাত দলৰ হকে প্ৰচাৰ চলাব। ইফালে, কংগ্ৰেছ নেতা ৰাহুল গান্ধী, ছোনিয়া গান্ধী আৰু প্ৰিয়ংকা গান্ধী ৱাদ্ৰাই সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেশ যাদৱৰ সৈতে ৰায়বেৰেলীত এখন নিৰ্বাচনী সভাক যৌথভাৱে সম্বোধন কৰিব। এ আই এম আই এমৰ মুৰব্বী আছাদুদ্দিন ওৱেচিয়ে আজি অপনা দল কামেৰৱাড়ীৰ সভাপতি পল্লৱী পেটেলৰ সৈতে কৌচাম্বি জিলাত এটা নিৰ্বাচনী সমাৰেশত ভাগ ল'ব।

ইফালে আম আদমী পাৰ্টীৰ ৰাষ্ট্ৰীয় আহ্বায়ক তথা দিল্লীৰ মুখ্যমন্ত্ৰী অৰৱিন্দ কেজৰিৱালে আজি অমৃতছৰৰ পৰা দলৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান আৰম্ভ কৰিব। অমৃতসৰত শ্ৰীকেজৰিৱালে পাঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত সিং মানৰ সৈতে এটা ৰোড শ্ব'ত ভাগ ল'ব। ৰোড শ্ব'ৰ পূৰ্বে দুয়োগৰাকী নেতাই স্বৰ্ণ মন্দিৰ আৰু দুৰ্গীয়ানা মন্দিৰত পূজা অৰ্চনা আগবঢ়াব আৰু পাঞ্জাৱৰ জনসাধাৰণৰ শান্তি, সমৃদ্ধি কামনা কৰিব।

ওড়িশাতো লোকসভা নিৰ্বাচনৰ সমান্তৰালভালে বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে। বিজেপি, কংগ্ৰেছ আৰু বিজেডিৰ জ্যেষ্ঠ নেতাসকলে দলীয় প্ৰাৰ্থীৰ হৃকে ভোটদাতাৰ মন জয় কৰাৰ বাবে ৰাজ্যখনৰ ইমূৰৰ পৰা সিমূৰলৈ প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই কালি ভূৱনেশ্বৰত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে আৰু সুন্দেৰগড় তথা বাড়গড় লোকসভা সমষ্টিত দুখন নিৰ্বাচনী সভাত ভাষণ দিছে। বিজেডিৰ মুৰব্বী তথা ওড়িশাৰ মুখ্যন্ত্ৰী নবীন পাটনায়কেও কালি ভূৱনেশ্বৰত এটা ৰোড শ্ব'ত ভাগ লয়। অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাইও কালিৰ দিনটোত ওড়িশাত বিজেপি মিত্ৰজোঁটৰ হৈ চাৰিখন প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। লোকসভা আৰু ওড়িশাত বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ চলাই মুখ্যমন্ত্ৰী ড০ শৰ্মাই বিজেপিক ভোট দিবলৈ আহ্বান জনায়। প্ৰচাৰ সভাত মুখ্যমন্ত্ৰীগৰাকীয়ে ওড়িশাত বিজেপি মিত্ৰজোঁটৰ নিৰ্বাচনী ফলাফলক লৈ যথেষ্ট আশাবাদী বুলি মন্তব্য কৰি আই এন ডি আই এলায়েন্সক সমালোচোনা কৰে। ওড়িশাৰ ন্যায় শান্তি প্ৰগতিৰ বাবে ৰাজ্যখনত এইবাৰ বিজেপি চৰকাৰ প্ৰতিষ্ঠা কৰিব লাগিব বুলি ড০ শৰ্মাই লোকসভা নিৰ্বাচনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক ৪০০ৰো অধিক আসনত বিজয়ী কৰাই শ্ৰীমোডীক পুনৰ দেশৰ প্ৰধানমন্ত্ৰী পদত অধিষ্ঠিত কৰিব লাগিব বুলি উল্লেখ কৰে। কংগ্ৰেছে কাশ্মীৰক দ্বিখণ্ডিত কৰা বুলি অভিযোগ তুলি শ্ৰীশৰ্মাই কয় যে এইবাৰ প্ৰধানমন্ত্ৰী মোডীয়ে পাকিস্তানৰ দখলত থকা কাশ্মীৰ ভাৰতলৈ আনিব। ইফালে নবীন পাটনায়ক নেতৃত্বাধীন বৰ্তমানৰ ওড়িশা ৰাজ্য চৰকাৰখনৰ শাসনকালত ব্যাপক দুৰ্নীতি, অনিয়ম, অৰাজকতা চলি থকাৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে জগন্নাথ মন্দিৰৰ ৰত্ন ভাণ্ডাৰৰ চাবি অন্তৰ্ধান হৈছে। ফলত প্ৰত্যেক তিনি বছৰত ৰত্ন ভাণ্ডাৰৰ হিচাপ হ'ব লাগে যদিও চাবি অন্তৰ্ধান হোৱা বাবে হিচাপ পোৱা নাই। ওড়িশাৰ সমীপৰৱৰ্ত্তী চত্তীশগড়ৰ কৃষকে প্ৰতি কুইণ্টল ধানৰ ন্যূনতম সমৰ্থিত মূল্য ৩ হাজাৰ ১০০ টকা লোৱাৰ বিৰপীতে ওড়িশাৰ কৃষকে যথেষ্ট কমকৈ পোৱাৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই বিজেপিয়ে চৰকাৰ গঠন কৰিলে ওড়িশাৰ কৃষকেও প্ৰতি কুইণ্টল ধানৰ বিপৰীতে ৩ হাজাৰ ১০০ টকা পাব বুলি কয়। তদুপৰি এইবাৰ ওড়িশাত বিজেপিয়ে চৰকাৰ গঠন কৰিলেই ৰাজ্যখনৰ কমেও ৩ লাখ লোকক চৰকাৰী খৰচত ৰাম মন্দিৰলৈ নিয়াৰ ব্যৱস্থা কৰা হ'ব বুলি প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজিও বিজেপি মিত্ৰজোঁটৰ হৈ কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব।

ইপিনে, কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কালি ভূৱনেশ্বৰত এখন সংবাদমেল সম্বোধন কৰে আৰু বি জে ডি চৰকাৰে ৰাজ্যখনৰ যুৱক-যুৱতীসকলক কৰ্মসংস্থাপনৰ সুযোগ প্ৰদান কৰাত ব্যৰ্থ হোৱা বুলি অভিযোগ তোলে।

মহাৰাষ্ট্ৰতো প্ৰচাৰ অভিযান তুংগত উঠিছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী একনাথ সিংন্দেই কালি নাছিকত দলৰ হৃকে প্ৰচাৰ চলায়। আনহাতে ধুলেৰ কংগ্ৰেছ প্ৰাৰ্থীৰ হৃকে প্ৰচাৰ চলাই এন চি পি শাৰদ পাৱাৰ গোটৰ মুৰব্বী শাৰদ পাৱাৰে কয় যে, জনসাধাৰণে ৰাজনৈতিক পৰিৱৰ্তন বিচাৰিছে আৰু মহাবিকাশ অঘৰী মিত্ৰজোঁটৰ হৃকে অনুকূল বাতাবৰণ সৃষ্টি হৈছে।

০০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলত কালি গঁড়ৰ চোৰাং চিকাৰ বিৰোধী টাস্ক ফ'ৰ্চৰ দ্বিতীয়খন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত ৰাজ্যৰ বিশেষ আৰক্ষী সঞ্চালকপ্ৰধান হৰমিত সিঙৰ লগতে আৰক্ষীৰ কেইবাগৰাকী শীৰ্ষ বিষয়া, ৰাষ্ট্ৰীয় উদ্যানখনৰ ক্ষেত্ৰ সঞ্চালক, মাণ্ডলিক বন বিষয়া আৰু অন্যান্য সংশ্লিষ্ট বিষয়াসকল উপস্থিত থাকে। এই বৈঠকত গঁড়ৰ সুৰক্ষাৰ বাবে গ্ৰহণ কৰি থকা ব্যৱস্থা, বন বিভাগ আৰু আৰক্ষী সমন্বিত কাৰ্যকলাপ তথা বন সুৰক্ষা বাহিনীৰ নিয়োগ আৰু সৰলীকৰণৰ লগতে চোৰাংচোৰাৰ

নেটৱৰ্ক শক্তিশালী কৰাৰ বিষয়ে আলোচনা কৰা হয়। টাস্ক ফ'ৰ্চে লগতে চোৰাং চিকাৰী বিৰোধী পদক্ষেপ শক্তিশালী কৰাৰ লক্ষ্যৰে গঠিত সমিতিত বিশেষ সঞ্চালকপ্ৰধান, নগাঁও, গোলাঘাট, যোৰহাটৰ মাণ্ডলিক বিষয়া আৰু অসম বন সুৰক্ষা বাহিনীৰ কামাণ্ডেণ্টক অতিৰিক্ত সদস্য হিচাপে অন্তৰ্ভুক্ত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। উল্লেখযোগ্য যে অসম চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ ফলত ৰাজ্যৰ বনাঞ্চলত গঁড়ৰ সংখ্যা বৃদ্ধি পোৱাৰ উপৰি ন ন বনাঞ্চলত গঁড়ৰ বিচৰণ দেখা গৈছে। ইয়াৰ ভিতৰত যোৱা দুবছৰত কাজিৰঙাৰ বুঢ়াচাপৰি আৰু মাজুলীত গঁড়ৰ বিচৰণ দেখা গৈছে। কালিৰ বৈঠকখনত গঁড় থকা সকলো অঞ্চলতে নিয়মীয়াকৈ জিলা পৰ্যায়ৰ সমন্বয় সভা অনুষ্ঠিত কৰাৰ পৰামৰ্শ দিয়া হয়।

0000000

অসমৰ বিভিন্ন জিলাত বিগত দুদিন ধৰি গ্ৰীষ্ম প্ৰবাহ অব্যাহত আছে। কালিৰ দিনটোত ৰাজ্যখনৰ তাপমাত্ৰা আছিল 36 ডিগ্ৰী ছেলচিয়াছ। যদিও ঠায়ে ঠায়ে তাপমাত্ৰ ৪২ ডিগ্ৰী পৰ্যন্ত অনুভৱ হৈছিল। আজিৰ দিনটোত ৩৫ ডিগ্ৰী পৰ্যন্ত তাপমাত্ৰ অনুভৱ হ্ব বুলি বতৰ বিজ্ঞান বিভাগে আগজাননী দিছে। বিভাগে অহা সোমবাৰ পৰ্যন্ত ছিকিম, অৰুণাচল প্ৰদেশ, আৰু মেঘালয়ৰ ঠাইবিশেষতো ধাৰাসাৰ বৰষুণৰ হোৱাৰো আগলিবতৰা দিছে। পশ্চিম ৰাজস্থান, পঞ্জাৱ, হাৰিয়ানা আৰু দিল্লীৰ কিছু অংশতো ২০ মে' পৰ্যন্ত গ্ৰীষ্মপ্ৰবাহৰ আশংকা কৰা হৈছে। বিভাগে কাইলৈৰ পৰা পূব আৰু মধ্য ভাৰততো এই গ্ৰীষ্মপ্ৰবাহৰ প্ৰভাৱ পৰাৰ আগজাননী দিছে। উত্তৰ-পশ্চিম, মধ্য, পূব ভাৰত, মহাৰাষ্ট্ৰ আৰু গুজৰাটৰ বহু অঞ্চলত পৰৱৰ্তী ৩-৪ দিনলৈ সৰ্বোচ্চ উষ্ণতা ক্ৰমান্বয়ে প্ৰায় ২-৪ ডিগ্ৰী চেলছিয়াছ পৰ্যন্ত বৃদ্ধি হ'ব পাৰে বুলিও বিভাগে জানিবলৈ দিছে। বিভাগে ২২ মে'লৈকে ভাৰতৰ দক্ষিণ অংশত পাতলীয়াৰ পৰা ধাৰাসাৰ বৰষুণ হ'ব পাৰে বুলি প্ৰকাশ কৰিছে। বিভাগৰ তথ্য অনুসৰি অহা কেইটামান দিনত তামিলনাডু, পুডুচেৰী, কৰাইকাল, কেৰালা, মাহে আৰু কৰ্ণাটকৰ দক্ষিণ অংশত ধাৰাসাৰ বৰষুণৰ সম্ভাৱনা আছে।

0000000

গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ পৰা কালি ৩২২ গৰাকী হজযাত্ৰী লৈ এখন বিশেষ বিমান সন্ধিয়া ৬ বজাত চৌদি আৰবৰ জেদ্দা অভিমুখে ৰাওনা হয়। অসম তথা উত্তৰ-পূবৰ হজযাত্ৰীৰ এইবাৰৰ এই প্ৰথমটো দল লৈ বিমানখনে যাত্ৰা কৰে।

হজযাত্ৰাৰ বাবে কালি পুৱাৰ ভাগত যাত্ৰীসকল আহি বিমানবন্দৰত উপস্থিত হৈছিল। লখিমপুৰৰ পৰা সৰ্বাধিক ৭৮ জন, হাইলাকান্দিৰ ৪৫, বঙাইগাওঁৰ ৪৯, গোৱালপাৰা আৰু গোলাঘাটৰ ২২জন হজযাত্ৰীসহ এই ৩২২ জন হজযাত্ৰী ৰাওনা হৈছে। উল্লেখযোগ্য যে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ পৰা এইবাৰ ৩ হাজাৰ ৭০৮ গৰাকী হজযাত্ৰী হজ যাত্ৰাৰ বাবে ৰাওনা হ'ব। হজ যাত্ৰা কৰিবলগীয়া যাত্ৰীসকলৰ ভিতৰত ৩ হাজাৰ ৬৫৮ গৰাকী অসমৰ হোৱাৰ বিপৰীতে ৩৬ গৰাকী মেঘালয়ৰ আৰু ৭ গৰাকীকৈ নাগালেণ্ড আৰু অৰুণাচল প্ৰদেশৰ লোক। অহা ২৫ মে' পৰ্যন্ত যাত্ৰীসকল হজ যাত্ৰাৰ বাবে পৰ্যায়ক্ৰমে ৰাওনা হ'ব। যাত্ৰা আৰম্ভ কৰাৰ ৪২ দিন পাছত তেওঁলোকে মক্কাৰ পৰা গুৱাহাটী অভিমুখে ওভতনি যাত্ৰা কৰিব।

0000000

মাজুলীৰ জিলা আয়ুক্তৰ সভাপতিত্বত কালি আয়ুক্তৰ কাৰ্যালয় সভাকক্ষত জিলা উন্নয়ন সমিতিৰ এখন সভা অনুষ্ঠিত হয়। সভাত জিলাৰ অতিৰিক্ত আয়ুক্তসকল আৰু সহকাৰী আয়ুক্তসকলৰ লগতে বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকি এপ্ৰিল মাহৰ বিভাগীয় কাম-কাজৰ খতিয়ানসমূহ দাঙি ধৰে। কাম-কাজসমূহৰ পৰ্যালোচনা কৰাৰ অন্তত আয়ুক্তগৰাকীয়ে বিভাগসমূহলৈ বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়ায়।

০০০০০০০

করিমগঞ্জৰ আৰক্ষী অধীক্ষকৰ নেতৃত্বত যোৱা এটা দলে কালি কৰিমগঞ্জৰ পুৱামাৰা বাইপাছত এখন বাহনৰ পৰা ভালেসংখ্যক নিচাযুক্ত দ্ৰব্য জব্দ কৰে। ঘটনা সংক্ৰান্তত আৰক্ষীয়ে আব্দুল্লাহ নামৰ এজন লোকক গ্ৰেপ্তাৰ কৰে। আৰক্ষী সূত্ৰৰ অনুসৰি জব্দ কৰা সামগ্ৰীখিনিৰ বজাৰ মূল্য প্ৰায় ৪০ কোটি টকা।

০০০০০০০০০

ভূবনেশ্বৰৰ কলিংগ ষ্টেডিয়ামত অনুষ্ঠিত হোৱা ২৭ সংখ্যক ৰাষ্ট্ৰীয় ফেডাৰেচন ছিনিয়ৰ এথলেটিক্‌ছ প্ৰতিযোগিতাৰ পুৰুষৰ ১৫০০ মিটাৰ দৌৰত অসমৰ মেহদি হাছানে সোণৰ পদক অৰ্জন কৰে। দৌৰ প্ৰতিযোগিতাত মেহদি হাছানে এহেজাৰ ৫০০ মিটাৰ ৩ মিনিট ৪২ ছেকেণ্ড ৮২ মিলিছেকেণ্ডত সম্পূৰ্ণ কৰে।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্‌ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰতিযোগিতাত প্লে অফ পৰ্যায়ত স্থান নিশ্চিত কৰিছে। ছানৰাইজাৰ্ছ হায়দৰাবাদ আৰু গুজৰাট টাইটানছৰ মাজত কালি হ'বলগীয়া খেলখন বৰষুণৰ বাবে টছ নোহোৱাকৈয়ে পৰিত্যক্ত ঘোষণা কৰাত হায়দৰাবাদ দলটো প্লে অফ পৰ্যায়ত প্ৰৱেশ কৰে। প্লে অফ পৰ্যায়ৰ চতুৰ্থ তথা অন্তিম স্থানৰ বাবে ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু আৰু চেন্নাই ছুপাৰ কিংছৰ মাজত প্ৰতিদ্বন্দ্বিতা অব্যাহত আছে।

০০০০০০০

গুৱাহাটীৰ বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ অহা ১৯ মে'ত হ'বলগীয়া টি-২০ ক্ৰিকেট খেলখনৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটীৰ যান-বাহন আৰক্ষীয়ে যান-বাহনৰ চলাচলৰ ক্ষেত্ৰত বিশেষ নিৰ্দেশনা জাৰি কৰিছে। এই সময়ছোৱাত শিশু, মহিলা, ছাত্ৰ-ছাত্ৰী, জ্যেষ্ঠ নাগৰিক আৰু বিশেষভাৱে সক্ষম নাগৰিকসকলৰ যাতায়তৰ সুবিধা হোৱাৰ লগতে জৰুৰীকালীন বাহন যেনে এম্বুলেন্স, স্কুল বাছ, অগ্নি নিৰ্বাপক বাহন আদিৰ চলাচল সুচল হোৱাকৈ এই নিৰ্দেশনা জাৰি কৰা হৈছে। সেই অনুসাৰে অহা ১৯ মে'ত দিনৰ ৩ বজাৰ পৰা নিশা ১২ বজালৈ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ গুৱাহাটী মহানগৰী অংশত গধুৰ যান-বাহন আৰু বাণিজ্যিক বাহনৰ চলাচলত নিষেধাজ্ঞা জাৰি কৰা হৈছে। এই দিনটোত গুৱাহাটীৰ আৰ্য নগৰৰ পৰা লখৰা চাৰিআলিলৈ যোৱা পথটো দিনৰ তিনি বজাৰ পৰা ৱান ৱে হৈ পৰিব। লালগণেশ তিনি আলি অঞ্চলৰ পৰা খেলৰ কাৰ পাছ্‌ থকা বাহনকহে বৰ্ষাপাৰালৈ চলাচলৰ অনুমতি প্ৰদান কৰা হ'ব। আনহাতে বৰ্ষাপাৰা তিনিআলিৰ পৰা ধীৰেনপাৰা তিনি আলিলৈও পথছোৱা ৱান ৱে হৈ পৰিব আৰু খেলৰ কাৰ পাছ্‌ থকা বাহনেহে চলাচলৰ অনুমতি পাব। অৱশ্যে স্থানীয় বাসিন্দাৰ বাহন আৰু জৰুৰীকালীন সেৱাৰ বাহনৰ ক্ষেত্ৰত এই নিষেধাজ্ঞা প্ৰযোজ্য নহয়।

০০০০০০০

সাম্প্ৰতিক বিশ্ব চেম্পিয়ন ভাৰতৰ নিখত জাৰিনে কাজাখস্তানৰ আস্তানাত অনুষ্ঠিত চলিত বৰ্ষৰ এল'ৰ্ডা কাপ বক্সিং প্ৰতিযোগিতাৰ মহিলাৰ ৫২ কিল'গ্ৰাম ওজন শাখাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ছেমি ফাইনেলত কালি নিখটে আয়োজক দেশৰ টমিৰিছ মাইৰজাকুলৰ বিৰুদ্ধে ৫-০ গেমত বিজয় সাব্যস্ত কৰে।

নিখটৰ উপৰি ৪৮ কিল'গ্ৰাম ওজন শাখাত মিনাক্ষী, ৫০ কিল'গ্ৰাম ওজন শাখাত অনামিকা আৰু ৬০ কিল'গ্ৰাম ওজন শাখাত মনীষায়ো ফাইনেলত স্থান নিশ্চিত কৰিছে। মিনাক্ষী আৰু মনীষাই ছেমি ফাইনেলত একেধৰণৰ

আধিপত্য প্ৰদৰ্শন কৰি ৫-০ গেমত জয়লাভ কৰে। মিনাক্ষীয়ে কাজাখস্তানৰ গুলনাজ বুৰিবায়েভাৰ বিৰুদ্ধে জয় লাভ কৰাৰ বিপৰীতে মনীষাই টাংগাটাৰ আছেমক পৰাস্ত কৰে। আনহাতে, অনামিকাৰ প্ৰতিদ্বন্দ্বী কাজাখস্তানৰ গুলনাৰ টুৰাপবাইক নীতিবিৰুদ্ধ খেল প্ৰদৰ্শনৰ বাবে তিনিবাৰকৈ সতৰ্কবাণী দিয়াৰ পাছত খেলখনৰ পৰা অযোগ্য বুলি ঘোষণা কৰা হয় আৰু ভাৰতীয় খেলুৱৈগৰাকী ফাইনেললৈ অগ্ৰসৰ হয়। প্ৰতিযোগিতাৰ ফাইনেল খেলসমূহ কাইলৈ অনুষ্ঠিত হ'ব।

০০০০০০০

কা আবেদনকাৰীৰ তথ্য পৰীক্ষাৰ বাবে ৰাজ্যত কমিটী গঠনৰ নিৰ্দেশ কেন্দ্ৰৰ। অসমত নাগৰিকত্ব প্ৰদানৰ যো-জা -এই বাতৰিটো আমাৰ অসম কাকতে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। অসমত বৰষুণৰ পৰিমাণ হ্ৰাস পোৱাৰ ফলত খেতিপথাৰসমূহত চিৰাল ফাট মেলিছে আৰু জলসিঞ্চনৰ সুবিধাও লাভ কৰিব নোৱাৰাৰ ফলত কৃষকসকলে চৰম দুৰ্দশাত ভোগা বুলি এটা বাতৰিক দৈনিক অগ্ৰদূত কাকতখনে অসমত বৰষুণ হ্ৰাস, জলসিঞ্চনো নাই - চৰম দুৰ্দশাৰ গৰাহত কৃষক শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

কা কোনেও প্ৰত্যাহাৰ কৰিব নোৱাৰে কংগ্ৰেছ-সমাজবাদী পাৰ্টীয়ে হিংসাৰ জুই জ্বলাবলৈ বিচাৰিছে, উত্তৰ প্ৰদেশৰ আজমগড়ত অনুষ্ঠিত এখন নিৰ্বাচনী সভাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কৰা এটা মন্তব্যক দৈনিক অসম কাকতে মুখ্য বাতৰিত স্থান দিছে। দেশৰ প্ৰখ্যাত আই আই টি শিক্ষাৰ্থীয়ে পোৱা নাই সংস্থাপন - আই আই টি মুম্বাইৰ ৩৪ শতাংশ, আই আই টি দিল্লীৰ ৪০ শতাংশকে ধৰি বহু শিক্ষাৰ্থীয়ে পোৱা নাই চাকৰি -এই বাতৰিটো নিয়মীয়া বাৰ্তা কাৰতে গুৰুত্ব সহকাৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। দেশবাসীলৈ সুখবৰ - ৪১বিধ জীৱনদায়িনী ঔষধৰ দাম কমালে চৰকাৰে - এই বাতৰিটো অসমীয়া খবৰ, দ্য ছেণ্টিনেল কাকতৰ লগতে অন্য কাকতসমূহেও প্ৰথম পৃষ্ঠাত স্থান দিছে। অবৈধ ধন সৰবৰাহৰ গোচৰ সন্দৰ্ভত সৰ্বোচ্চ ন্যায়ালয়ৰ গুৰুত্বপূৰ্ণ ৰায় - আদালতৰ অনুমতি অবিহনে অবৈধ ধন সৰবৰাহত অভিযুক্তক গ্ৰেপ্তাৰ কৰিব নোৱাৰিব ই ডিয়ে -এই বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰূপে স্থান দিছে। লগতে এই বাতৰিটো আমাৰ অসম, দৈনিক অসম, অসীয়া খবৰ আদি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাজ্যৰ আভ্যন্তৰীণ অঞ্চলত আৰ্হি বিদ্যালয় স্থাপনৰ পৰিকল্পনাৰ বাতৰিটো দ্য আছাম ট্ৰিবিউন কাকতে মুখ্য বাতৰিৰূপে স্থান দিছে। আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে - আজি সাংবাদিক পৰাগ কুমাৰ দাসৰ মৃত্যু দিৱস, গুৱাহাটী প্ৰেছ ক্লাবত বঁটা প্ৰদান অনুষ্ঠান, গুৱাহাটীত বৃদ্ধি পাইছে অধিক তাপমাত্ৰা, ভয়াবহ প্ৰদীষণৰ কবলত পৰি সেউজীয়া হৈ পৰিছে দীপৰ বিলৰ পানী, আই পি এলৰ ভিত্তিতে বিশ্বকাপলৈ নিৰ্বাচিত নহয় খেলুৱৈ ইত্যাদি।

০০০০০০০০০

**সমাপ্ত**